অসম চৰকাৰ

# দলংঘাট আঞ্চলিক পঞ্চায়ত কাৰ্যালয়

দলংঘাট ঃঃ নগাওঁ ঃঃ অসম

দলংঘাট আঞ্চলিক পঞ্চায়ত (নগাঁও অংশ) ৰ অন্তৰ্গত বজাৰ, ঘাট, মীনমহল আৰু পাউণ্ডসমূহ
২০২৪-২০২৫ পঞ্চায়ত বিত্তীয় বছৰৰ বাবে বন্দোৱস্তীৰ নিবিদা আহ্বানৰ

# জাননী

নং-ডিএপি/২২১/বি.এচ./২০২৪-২০২৫/৩৫২৭ তাৰিখ- ২৯/০৫/২০২৪

ইয়াৰ দ্বাৰা সৰ্ব্বসাধাৰণ ৰাইজক জনোৱা যায় যে, দলংঘাট আঞ্চলিক পঞ্চায়ত (নগাঁও অংশ) ৰ অন্তৰ্গত নিম্নোক্ত বজাৰ/ঘাট/মীনমহল/পাউণ্ডবোৰ **১৯৯৪** চনৰ অসম পঞ্চায়ত আইন মতে **২০২৪-২০২৫** পঞ্চায়ত বিত্তীয় বৰ্ষৰ বাবে অৰ্থাৎ ইংৰাজী ০১/০৭/২০২৪ তাৰিখৰ পৰা ৩০/০৬/২০২৫ তাৰিখলৈ এবছৰৰ বাবে নিবিদা যোগে বন্দোবস্তী দিয়া হ'ব। বজাৰ/ঘাট/মীনমহল/পাউণ্ড বন্দোবস্তি পাবলৈ ইচ্ছুক প্ৰাৰ্থীৰ পৰা ৮.২৫ টকা (আঠ টকা পঁচিশ পইচা) ন্যায়ালয়ৰ শুল্ক লগোৱা লাৰ মোহৰযুক্ত খামত নিবিদা আহ্বান কৰা হ'ল।

নিবিদাসমূহ অহা ইংৰাজী 20/06/2024 তাৰিখে দিনৰ ২ (দুই) বজালৈকে আঞ্চলিক পঞ্চায়ত কাৰ্যালয়ত গ্ৰহণ কৰা হ'ব আৰু সেইদিনাই নিবিদাকাৰী/নিবিদাকাৰীৰ প্ৰতিনিধিৰ সাক্ষাতত ৩ (তিনি) বজাত খোলা হ'ব যদিহে অন্য কোনো অসুবিধা নাথাকে।

| ক্ৰঃ নং | বজাৰ/ঘাট/মীনমহলৰ নাম | চৰকাৰী নিৰিখ (বছৰেকীয়া) | আমানত ধন |
|---|---|---|---|
| ১ | ২ | ৩ | ৪ |
| ১ | জামগুৰি সাপ্তাহিক বজাৰ | ২৩,৩৮৫.০০ টকা | ২,৩৩৯.০০ টকা |

## ঃ বজাৰ/ঘাট/মীনমহল আদিৰ নিবিদাৰ চৰ্তাৱলী ঃ

### প্ৰথম খণ্ড

১) বজাৰ/ঘাট/মীনমহল/পাউণ্ড বন্দোৱস্তিৰ বাবদ পূৰ্ব্বতে টকা দিবলৈ বাকী থকা লোক আৰু তেওঁৰ পৰিয়ালৰ সদস্যই নিবিদা দাখিল কৰিব নোৱাৰিব। বৰ্তমান বজাৰ/ঘাট/মীনমহল/পাউণ্ড চলাই থকা মহলদাৰেও নিবিদা দাখিল কৰিবৰ বাবে চলিত বছৰৰ বাকী থকা সকলো কিস্তি আদায় দিব লাগিব।

২) নিৰ্দিষ্ট ব্যক্তি বিশেষৰ পৰিৱৰ্তে কোনো শিক্ষানুষ্ঠান, সামাজিক অনুষ্ঠান, সস্থা, সমিতি বা তেনেধৰণৰ অনুষ্ঠান আদিৰ নামত নিবিদা দাখিল কৰিব নোৱাৰিব আৰু এনে নিবিদা পোনপটীয়াকৈ নাকচ কৰা হ'ব।

৩) আঞ্চলিক পঞ্চায়তক ৩০০.০০ (তিনি শ) টকা জমা দি নিবিদা ফৰ্ম আৰু আনুসংগিক নথি পত্ৰ ল'ব লাগিব।

৪) প্ৰতি বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ বাবে পৃথকে পৃথকে নিবিদা দাখিল কৰিব লাগিব।

৫) আঞ্চলিক পঞ্চায়তে যোগান ধৰা মূল নিবিদা ফৰ্মতহে নিবিদা দাখিল কৰিব লাগিব। কোনো ক্ষেত্ৰতে নিবিদা ফৰ্মৰ ফটোষ্টেট কপিৰ নিবিদা গ্ৰহণ কৰা নহ'ব। কোনো নিবিদাকাৰীয়ে ফটোষ্টেট কপিত নিবিদা দাখিল কৰিলে আঞ্চলিক পঞ্চায়তৰ নামত ৩০০.০০ টকা জমা দিয়াৰ মূল ৰচিদ নিবিদাৰ লগত দাখিল কৰিব লাগিব।

৬) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ ফৰ্মত সম্পূৰ্ণ নাম, ঠিকনা ও আৰক্ষী থানাৰ লগতে ফোন নম্বৰ উল্লেখ কৰিব লাগিব।

দাখিল কৰাৰ পাছত কোনো নিবিদাকাৰীয়ে নিবিদা উঠাই ল'ব নোৱাৰিব। তেনে কৰিলে অথবা কোনো বন্দোবস্তি প্ৰাপ্ত নিবিদাকাৰীয়ে বন্দোবস্তি গ্ৰহণ নকৰিলে তেওঁলোকৰ আমানতৰ ধন বাজেয়াপ্ত কৰা হ'ব।

৮) নিবিদা দাখিলৰ ও খোলাৰ দিনা চৰকাৰী বন্ধৰ দিন ঘোষণা কৰিলে পৰৱৰ্ত্তী কাৰ্যালয় খোলাৰ দিনত নিবিদা গ্ৰহণ কৰা হ'ব।

৯) কোনো বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ নিবিদাৰ মূল্য উপযুক্ত বিবেচনা নহ'লে পুনৰ নিবিদা আহ্বান কৰা হ'ব।

১০) সকলো বজাৰ /ঘাট/মীনমহল/পাউণ্ডৰ ক্ষেত্ৰত সৰ্বোচ্চ নিবিদাকাৰীৰ নিবিদা বিবেচনাৰ বাবে গ্ৰহণ কৰা হ'ব। যদি কোনো সৰ্বোচ্চ নিবিদাকাৰীয়ে নিবিদাৰ লগত প্ৰয়োজনীয় নথিপত্ৰ (কোৰ্টফি আৰু আমানতৰ ধন বাদ দি) দাখিল কৰা নাছিল, তেনে ক্ষেত্ৰত সেই নিবিদাকাৰীক সেই নথিপত্ৰসমূহ জমা দিবলৈ সৰ্বোচ্চ ৩ (তিনি) দিনৰ সময় দিয়া হ'ব। যদি সেই নিবিদাকাৰীয়ে, নথিপত্ৰসমূহ নিৰ্ধাৰিত সৰ্বোচ্চ ৩ (তিনি) দিনৰ ভিতৰত দাখিল কৰিব নোৱাৰে, তেনেক্ষেত্ৰত তেওঁৰ নিবিদা নাকচ কৰা হ'ব আৰু লগতে আমানতৰ ধন ও বাজেয়াপ্ত কৰা হ'ব আৰু পৰৱৰ্ত্তী উচ্চ নিবিদাকাৰীক উপৰোক্ত চৰ্ত সাপেক্ষে বন্দোৱস্তীৰ সুবিধা প্ৰদান কৰা হ'ব।

## দ্বিতীয় খণ্ড

১১) ক) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত (১,০০,০০০.০০ (এক লাখ) টকাৰ ওপৰৰ বজাৰ/ঘাট/মীনমহল/পাউণ্ড তালিকাত উল্লেখ কৰা মতে) নিৰ্দিষ্ট বজাৰ/ঘাট/মীনমহল/পাউণ্ডখনৰ ১০% (দহ শতাংশ) আমানতৰ ধন জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক আধিত (Pledge) কৰি অসম কো-অপাৰেটিভ এপেক্স বেংক, অসম গ্ৰামীণ বিকাশ বেংক অথবা যিকোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ নূন্যতম এবছৰৰ (Fixed Deposite) নিবিদাৰ লগত মূল কপি গাঁঠি দিব লাগিব। অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ লোকে ৫০% (পঞ্চাশ শতাংশ) আমানত ধন ৰেহাই পাব। উক্ত জাতিৰ প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি নিবিদাৰ লগত গাঁঠি দিব লাগিব।

খ) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত (১,০০,০০০.০০ (এক লাখ) টকাৰ তলত বজাৰ/ঘাট/মীনমহল/ পাউণ্ড তালিকাত উল্লেখ কৰা মতে) নিৰ্দিষ্ট বজাৰ/ঘাট/মীনমহল/পাউণ্ডখনৰ ১০% (দহ শতাংশ) আমানতৰ ধন আঞ্চলিক পঞ্চায়তৰ পদেন সচিব তথা কাৰ্যবাহী বিষয়াক আধিত (Pledge) কৰি অসম কো-অপাৰেটিভ এপেক্স বেংক, অসম গ্ৰামীণ বিকাশ বেংক অথবা যিকোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ নূন্যতম এবছৰৰ (Fixed Deposite) নিবিদাৰ লগত মূল কপি গাঁঠি দিব লাগিব। অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ লোকে ৫০% (পঞ্চাশ শতাংশ) আমানত ধন ৰেহাই পাব। উক্ত জাতিৰ প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি নিবিদাৰ লগত গাঁঠি দিব লাগিব।

১২) নিবিদাকাৰীয়ে নিবিদাৰ লগত ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা প্ৰত্যায়িত পাচপৰ্ট আকাৰৰ ফটো গাঁঠি দিব লাগিব।

১৩) নিবিদাকাৰী আৰু জামিনদাৰে সংশ্লিষ্ট জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ পৰা কৰমুক্ত, পূৰ্বৰ বাকীদাৰ (Defaulter) নোহোৱাৰ প্ৰমাণ পত্ৰ লৈ নিবিদাৰ লগত গাঁঠি দিব লাগিব।

১৪) নিবিদাকাৰী অথবা জামিনদাৰে নিবিদা মূল্যৰ ওপৰত মাটি জামিন হিচাবে দিব লাগিব। জামিন দিয়া মাটিৰ চলিত বৰ্ষৰ (ক) জমাবন্দি, (খ) উক্ত মাটি সকলো দিশৰ পৰা দায়মুক্ত প্ৰমাণ পত্ৰ আৰু মাটিৰ মূল্যৰ প্ৰমাণ পত্ৰ সংশ্লিষ্ট জিলাৰ উপায়ুক্ত/ মহকুমাধিপতি আৰু সংশ্লিষ্ট ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ পৰা লৈ নিবিদাৰ গাঁঠি দিব লাগিব। নিবিদাত জামিনদাৰেও চহী কৰিব লাগিব। মাটিৰ তথ্য-পাতিৰ পৰিৱৰ্তে নিবিদা মূল্যৰ ওপৰত Bank Guarantee ৰ তথ্যও জামিন হিচাবে গ্ৰহণযোগ্য হ'ব। উক্ত মাটি অন্য এখন বজাৰ/ঘাট/মীনমহল/ পাউণ্ডৰ জামিন হিচাপে দিব নোৱাৰিব। একেজন জামিনদাৰে /নিবিদাকাৰীয়ে অন্য এখন বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ জামিনদাৰ হ'ব নোৱাৰিব। জামিন দিব বিচৰা মাটিৰ সহপট্টাদাৰ থাকিলে তেওঁলোকৰ সন্মতি/মতামত দাখিল কৰিব লাগিব।

১৫) নিবিদাৰ লগত গাঁঠি দিয়া নথি-পত্ৰবোৰ সত্য বুলি নিবিদাকাৰী আৰু জামিনদাৰে Affidavit দাখিল কৰিব লাগিব।

১৬) বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ কিস্তিৰ ১,০০,০০০.০০ (এক লাখ) টকাৰ ওপৰৰ বন্দোৱস্তি প্ৰাপ্ত নিবিদাকাৰীয়ে সময়মতে জিলা পৰিষদ কাৰ্যালয়ত আৰু ১,০০,০০০.০০ (এক লাখ) টকাৰ তলৰ ক্ষেত্ৰত আঞ্চলিক পঞ্চায়তৰ কাৰ্যালয়ত ২০ নং দফাত উল্লেখ কৰা অনুযায়ী জমা দিব লাগিব।

১৭) প্ৰথম আৰু দ্বিতীয় খণ্ডৰ ১নং দফাৰ পৰা ১৬ নং দফালৈ সন্নিবিষ্ট চৰ্তাৱলী পূৰণ নহ'লে নিবিদা বাতিল কৰা হ'ব।

## তৃতীয় খণ্ড

১৮) অসম পঞ্চায়ত (বিত্তীয়) নিয়মাৱলী ২০০২ ৰ ৪৭ (১১) আৰু ৪৭ (১৬) ৰ বিধিমতে নিবিদাকাৰীয়ে বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ বন্দোৱস্তি পোৱাৰ এসপ্তাহৰ ভিতৰত নিৰ্দ্ধাৰিত দলিল (Stamp Paper) ত চুক্তিপত্ৰ উপ-পঞ্জীয়কৰ কাৰ্যালয়ত পঞ্জীয়নভূক্ত কৰি দাখিল কৰিব লাগিব। এই ক্ষেত্ৰত দলিল (Stamp Paper) আৰু পঞ্জীয়নৰ খৰচ নিবিদাকাৰীয়ে বহন কৰিব লাগিব।

১৯) জামিনত দিয়া মাটি অথবা Bank Guarantee কোনো ব্যক্তি, অনুষ্ঠানৰ ওচৰত বিক্ৰী বা বন্ধকী দিব নোৱাৰিব। কিস্তি টকা

পৰা আৰম্ভ কৰি প্ৰতি মাহৰ ৭ (সাত) তাৰিখৰ ভিতৰত বন্দোৱস্তীৰ মাহিলী ধন জমা দিব লাগিব। একেৰাহে ২ (দুই)মাহৰ বন্দোৱস্তীৰ ধন জমা দিব নোৱাৰিলে বন্দোৱস্তী নাকচ কৰা হ'ব আৰু অসম পঞ্চায়ত (বিত্তীয়) নিয়মাৱলী, ২০০২ৰ ৪৭ নং নিয়মাৱলীৰ ১৪নং উপ-নিয়ম অনুসৰি বাকীদাৰ মহলদাৰ আৰু জামিনদাৰৰ পৰা ক্ষতিপূৰণৰ ব্যৱস্থা আইন অনুসৰি গ্ৰহণ কৰা হ'ব। জামিন (Security) জমাৰ টকা বাকী থকা মাহবোৰৰ শেষ কিস্তিত চামিল (Adjust) কৰা হ'ব।

২১) জামিন জমা (Security Deposit) আৰু কিস্তিৰ টকা Bank Draft ৰ যোগেদিহে গ্ৰহণ কৰা হ'ব। কোনো কাৰণত নগদ টকা গ্ৰহণ কৰা নহ'ব।

২২) ফেৰী/ঘাট বন্দোৱস্তিৰ ক্ষেত্ৰত আভ্যন্তৰীণ জল পৰিবহন বিভাগে আৰোপিত কৰা নিয়ম-নীতি জিলা পৰিষদ/আঞ্চলিক পঞ্চায়তে বন্দোৱস্তি দিয়া ফেৰী/ঘাটৰ ক্ষেত্ৰতো বাহাল থাকিব। মীনমহল বন্দোৱস্তি পোৱা মহলদাৰে মীনমহল চলোৱাৰ ক্ষেত্ৰত প্ৰচলিত মীন বিভাগৰ নীতি মানি চলিব লাগিব।

২৩) বৈধ পঞ্জীয়ন থকা নাওঁ/ফেৰীৰ সৈতেবাধ্যতামূলক সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা নিবিদাকাৰী সকলেহে ফেৰী/ঘাটৰ নিবিদা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰিব। নিবিদাকাৰীয়ে নিবিদা প্ৰ-পত্ৰৰ সৈতে উপযুক্ত আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ কৰ্তৃপক্ষই প্ৰদান কৰা নাওঁ/ফেৰী খনৰ শেহতীয়া (Latest) Fitness Certificate জমা দিয়াটো বাধ্যতামূলক।

২৪) ফেৰীৰ জৰিয়তে যাতায়ত কৰা যাত্ৰীৰ সুৰক্ষাৰ্থে ফেৰী/ঘাটৰ নিবিদাকাৰীয়ে নিম্নলিখিত চৰ্তসমূহ মানি চলিব লাগিব -

ক) নিবিদাকাৰীয়ে নিবিদাৰ প্ৰ-পত্ৰৰ লগতে এক ঘোষণাপত্ৰ (Undertaking) প্ৰদান কৰিব লাগিব, য'ত প্ৰতিকূল বতৰত ফেৰী ব্যৱস্থা বন্ধ থাকিব বুলি উল্লেখ থাকিব, অন্যথা তেওঁৰ নিবিদাৰ আবেদন নাকচ কৰা হ'ব। কোনো মহলদাৰে উক্ত ঘোষণাপত্ৰ (Undertaking) ৰ চৰ্ত উলঙঘা কৰিলে তেওঁৰ বন্দোৱস্তী নাকচ কৰা হ'ব।

খ) বিপদকালীন পৰিস্থিতিৰ বাবে মহলদাৰে প্ৰতিজন যাত্ৰীৰ বিপৰীতে পৰ্য্যাপ্ত পৰিমাণৰ Life Jacket/ Life Raft ৰ ব্যৱস্থা নাওঁ/ফেৰীখনত থকাটো সুনিশ্চিত কৰিব লাগিব।

গ) মহলদাৰজনে নাওঁ/ফেৰীখনৰ বহন ক্ষমতা সাপেক্ষে নাওঁ/ফেৰীখনত কঢ়িওৱা যাত্ৰীৰ সংখ্যাৰ হকে বীমাৰ সুবিধা প্ৰদান কৰাটো প্ৰয়োজনীয়।

ঘ) মহলদাৰজনে কোনো ক্ষেত্ৰতে নাওঁ/ফেৰীখনৰ বহন ক্ষমতাতকৈ অধিক যাত্ৰী বহন কৰিব নোৱাৰিব।

২৫) হাট/ঘাট/মীনমহল/পাউণ্ড বন্দোৱস্তি পোৱা নিবিদাকাৰীয়ে অন্য কোনো ব্যক্তি বা অনুষ্ঠানলৈ হাট/ঘাট/মীনমহল/পাউণ্ড হস্তান্তৰ (Sublet) কৰিব নোৱাৰিব।

২৬) যদি কোনো নিবিদাকাৰীয়ে উচ্চহাৰত নিবিদা দাখিল কৰি বন্দোৱস্তীৰ পূৰ্বে নিবিদা উঠাই লয় তেনেহ'লে উক্ত নিবিদাকাৰীৰ আমানতৰ ধন বাজেয়াপ্ত (forfeit) হ'ব আৰু আগন্তুক পাঁচ বছৰলৈ কোনো নিবিদা দাখিল কৰিব নোৱাৰিব।

২৭) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যিকোনো বিষয়াই হাট/ঘাট/মীনমহল/পাউণ্ডৰ বন্দোৱস্তি বা পৰিচালনাৰ লগত জড়িত সকলো তথ্যপাতি, কাগজ-পত্ৰ, ৰেজিষ্টাৰ ইত্যাদিৰ পৰিদৰ্শন বা তদন্ত কৰিব পাৰিব।

২৮) নিবিদা জাননী আৰ্হিৰ তৃতীয় খণ্ডৰ ১৮ নং দফাৰ পৰা ৩২ নং দফালৈ সন্নিৱিষ্ট চৰ্তাৱলী মানি নচলিলে বন্দোৱস্তি বাতিল কৰা হ'ব।

২৯) প্ৰত্যেক নিবিদাকাৰীয়ে নিম্নলিখিত চৰ্তসমূহ মানি চলিব লাগিব ঃ-

ক) হাটত বিশুদ্ধ খোৱা পানী যোগান ব্যৱস্থা নিবিদাকাৰীয়ে কৰিব লাগিব।

খ) হাটৰ ভিতৰত থকা জাৱৰ বা গেলা-পঁচা বস্তু নিজৰ খৰছত নিবিদাকাৰীয়ে হাটৰ সীমাৰ পৰা কমেও ৬০০ (ছয়শ) মিটাৰ জনবসতিৰ আঁতৰত পেলাব লাগিব; যাতে ওচৰৰ বসতি কৰা লোকৰ আপত্তি নাথাকে বা অনিষ্ট নহয়।

গ) হাটত গেলা-পঁচা মাছ-মাংস বিক্ৰী কৰিলে মহলদাৰে তৎক্ষণাত বন্ধ কৰিব আৰু ওচৰত থকা জনস্বাস্থ্য বিষয়াক জনাব লাগিব। লগতে বজাৰত গেলা-পঁচা বস্তু / ৰাইজৰ স্বাস্থ্য হানি হোৱাবস্তু /সামাজিক পৰিবেশ ক্ষতি হোৱা বস্তু বিক্ৰী কৰিব নোৱাৰিব।

ঘ) জিলা পৰিষদৰ আৰু আঞ্চলিক পঞ্চায়তৰ অনুমোদিত খাজানাৰ (মাছুল) নিৰিখত হাট/ঘাট/মীনমহল/পাউণ্ডৰ এলেকাত প্ৰকাশ্য এখন জাননী ফলক (Notice Board)ত সহজে পঢ়িব পৰাকৈ লিখি ৰাখিব লাগিব।

ঙ) চৰকাৰী নাইবা পঞ্চায়তৰ কোনো বস্তুৰ কিনা-বেচা হ'লে উক্ত বস্তুৰ ওপৰত কোনো খাজানা ল'ব নোৱাৰিব।

চ) হাট বজাৰৰ যি অংশত গৰু/ছাগলী/হাঁহ/কুকুৰা আৰু অন্যান্য জীৱ-জন্তুৰ বেচা-কিনা হয়, সেই অংশত বজাৰৰ মহলদাৰে গৰু/ছাগলী/হাঁহ/কুকুৰা আৰু অন্যান্য জীৱ-জন্তুৰ বাবে পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব আৰু লগতে সেই অংশৰ পৰিস্কাৰ পৰিছন্নতাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

ছ) কোভিড-১৯ মহামাৰীৰ পৰা সুৰক্ষাৰ অৰ্থে কেন্দ্ৰীয় তথা ৰাজ্যিক চৰকাৰৰ দ্বাৰা বিভিন্ন সময়ত জাৰি কৰা অধিসূচনা আৰু নিয়মাৱলী সমূহ মানি চলাটো নিবিদাকাৰীয়ে সুনিশ্চিত কৰিব লাগিব। সংশ্লিষ্ট মুখ্য কাৰ্যবাহী

৩১) সাপ্তাহিক/অৰ্ধসাপ্তহিক হাটৰ ঠাইত দৈনিক বজাৰৰ মহলদাৰে সাপ্তাহিক/অৰ্দ্ধ সাপ্তাহিক হাট /বজাৰৰ খাজনা আদায় কৰিব নোৱাৰিব।

৩২) মহলদাৰে এই খাজনা সাপ্তাহিক বজাৰৰ ১(এক) কিলোমিটাৰ দূৰত্বলৈ তুলিব পাৰিব আৰু দৈনিক বজাৰৰ ৫০০ মিটাৰৰ দূৰত্বলৈ তুলিব পাৰিব।

৩৩) মাননীয় NGT (National Green Tribunal) ৰ ১২/১২/২০১৮ ইং তাৰিখৰ O.A. No-606/2018 ৰ নিৰ্দেশ মৰ্মে পালন কৰিবলগীয়া Soild Waste Management Rules 2016 আৰু Plastic Waste Management Rules 2016 ত অন্তৰ্ভুক্ত কৰা চৰ্ত সমূহ মহলদাৰজনে বজাৰ ভিত্তিত গোটা জাৰৰ আৰু প্লাষ্টিক জাৰৰ ব্যৱস্থাপনা কমিটি (Market wise solid waste and Plastic waste Management Committee) ৰ সহযোগত পালন কৰিব লাগিব।

৩৪) বন্দোবস্তিপ্ৰাপ্ত নিবিদাকাৰীক জিলা পৰিষদ/আঞ্চলিক পঞ্চায়তৰ তৰফৰ পৰা পৰিচয় পত্ৰ (Identity Card) দিয়াৰ ব্যৱস্থা কৰা হ'ব।

**স্বাক্ষৰ /- শ্ৰী বীৰবল ব্ৰহ্ম**
কাৰ্যবাহী বিষয়া,
দলংঘাট আঞ্চলিক পঞ্চায়ত
দলংঘাট, নগাঁও, অসম।

**স্বাক্ষৰ /- শ্ৰী অনন্ত গগৈ, অসঃআঃসেঃ**
মুখ্য কাৰ্যবাহী বিষয়া, জিলা পৰিষদ, নগাঁও ও
কৰ্তৃত্বপ্ৰাপ্ত বিষয়া,
দলংঘাট আঞ্চলিক পঞ্চায়ত
দলাংঘাট, নগাঁও, অসম।

Chief Executive Officer
Nagaon Zilla Parishad

**স্মাৰক নং- ডিঃ এঃ পিঃ/২২১/বি.এচ./২০২৪-২৫/৩৫২৭ (ক)** **তাং- ২৯/০৫/২০২৪**

**<u>প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বহুল প্ৰচাৰাৰ্থে প্ৰেৰণ কৰা হ'ল</u> ঃ-**

১। প্ৰধান সচিব, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম, দিছপুৰ, গুৱাহাটী- ৬ ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।
২। আয়ুক্ত ও সচিব, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম, দিছপুৰ, গুৱাহাটী - ৬ ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।
৩। আয়ুক্ত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জুৰিপাৰ, অসম, দিছপুৰ, গুৱাহাটী -৩৭ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।
৪। জিলা আয়ুক্ত, নগাঁও/মৰিগাওঁ জিলাৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।
৫। মুখ্য কাৰ্যবাহী বিষয়া, জিলা পৰিষদ, নাগাঁও/ মৰিগাঁৰৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।
৬। জিলা তথ্য আৰু জন সংযোগ বিষয়াক অনুৰোধ কৰা হয় যে, দুখন অসমৰ বহুল প্ৰচাৰিত দৈনিক বাতৰি কাকতত নিবিদা জাননী প্ৰচাৰ কৰিবলৈ অনুৰোধ কৰা হ'ল।
৭। DIO, NIC, জিলা আয়ুক্তৰ কাৰ্য্যালয়, নগাঁও, তেখেতক নিবিদা জাননী জিলা Website ত বহুল প্ৰচাৰ কৰিবৰ বাবে অনুৰোধ কৰা হ'ল।
৮। সংশ্লিষ্ট খণ্ড উন্নয়ন বিষয়াৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।
৯। সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।
১০। সংশ্লিষ্ট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, জাজৰি আৰক্ষী চকীৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।
১১। দলংঘাট আঞ্চলিক পঞ্চায়ত (নগাঁও অংশ)ৰ অধীনৰ সকলো গাঁও পঞ্চায়তৰ সচিব সকললৈ বহুল প্ৰচাৰৰ কাৰণে প্ৰেৰণ কৰা হ'ল।
১২। সংশ্লিষ্ট হাট, বজাৰ আৰু পাৰঘাটৰ আগৰ বন্দোবস্তীৰ সকলো মহলদাৰলৈ। তেখেত সকলে এই জাননী হাট, বজাৰ, পাৰঘাটৰ ঠাইত সৰ্ব্বসাধাৰণৰ দৃষ্টি গোচৰ হোৱাকৈ আঁৰি দিব।
১৩। কাৰ্যালয়ৰ জাননী ফলক।